AMAZING FACTS
India

# ভাৱবাণীৰ এক সম্পূৰ্ণ দৃশ্য

## জীৱন পৰিবৰ্ত্তন কৰা এটা বাইবেল অধ্যয়ণ!

### নৰা নোহোৱাকৈ ইটা

যাত্ৰাপুস্তক ৪:২৯; ৫:১৯

## কাহিনী...



ইস্ৰায়েলৰ সন্তান সকলৰ মুক্তি বিচাৰি মোচি মিচৰৰ ৰজা ফৌৰনৰ ওচৰলৈ যোৱাৰ আগতে, তেও আৰু তেওৰ ককায়েক হাৰোনে ইস্ৰায়েলৰ নিস্পেষিত আৰু পদোদলিত চলাওতা সকলক লগ ধৰিছিল । এই বৈঠকৰ কালচোৱাত, মোচি আৰু হাৰোনে লোকসমূহক নিজকে পবিত্ৰভাৱে ঈশ্বৰৰ হাতত সমৰ্পণ কৰিবলৈ উতসাহ-উদ্দিপনা দিছিল আৰু ঈশ্বৰে তেওৰ বলৱান হাতেৰে তেওবিলাকৰ দাসত্বৰ জীৱনৰ পৰা উদ্ধাৰ কৰিবলৈ গৈ আছে বুলি তেওবিলাকক কৈছিল ।

মচিৰীয়া বলিাকৰ বাবে তওেবলিাকৰ ওপৰত কামৰ যি প্ৰচন্ড বে াজা পৰছিলি তাক সম্পুৰ্ণ কৰবিলৈ ইস্ৰায়লেবলিাকে সপ্তাহৰ সাতে াটা দনিহৈে কাম কৰি আহবিলগীয়া হছৈলি । কনি্তু মে াচিৰিে সতৈে হে াৰা বঠৈকৰ পছিত, তওেবলিাক প্ৰতটিে া সপ্তম দনিত কাম কৰাৰ পৰা বৰিত থকাৰ প্ৰথা পুনৰাই আৰম্ভ কৰবিলৈ স্পষ্টকৈ সদি্ধান্ত লছৈলি। এইটে া কাৰনতে পৰবৰ্তী সময়ত ক্ৰে াধতি ফে ৌৰনে মে াচি আৰু হাৰে ানক এই বুলি কছৈলি. “তহতে সহিতৰ ভাৰ বে াৱা বন খতি কৰাইছ” (যাত্ৰাপুস্তক ৫:৫) কজেভিৰি মতে, “তহতে সহিতক সহিতৰ কামৰ পৰা বশি্ৰাম কৰাইছ!” [ইয়াত “বশি্ৰাম” শব্দটে াৰ বাবে যি হবি্ৰু শব্দ ব্যৱহাৰ কৰা হছৈে তাৰ অৰ্থ হছৈে “চাবাথ” অৰ্থাত বশি্ৰাম দনি । গতকিে ইয়াৰ অৰ্থ হছৈে .”তহতে সহিতক বশি্ৰাম-দনি পালন কৰাইছ”]

ক্ৰে াধতি ৰজাই জানছিলি যে দাসত্বৰ কবলত থকা এই জাতটিে াক নজিৰ হাতৰ মুঠতি ৰাখবিলৈ তওে কবিা নহয় কবিা এটা কঠে াৰ পদক্ষপে লব লাগবি, গতকিে তওেবলিাকক সীমাহীন কামৰ মাজত আৰু প্ৰচন্ড কামৰ হচোত আবদ্ধ কৰি ৰাখবিলৈ তওে সদি্ধান্ত লছৈলি যাতে ঈশ্বৰ আৰু তওেক সৱো-উপসনা কৰা দুয়ে াটা কথাকে মনলৈ আনবি নে াৱাৰে । তওে কছৈলি, “তে ামালে াকে আগৰ দৰে লে াকবলিাকক ইটা কৰবিলৈ নৰা আৰু নদিবিা; কনি্তু সহিতে আগয়েে যি পৰমিানে ইটা কৰছিলি, এতয়িাও সহিতক সমিানকৈ কৰে াওৱা, তাৰ এফৰেিও কম নকৰবিা”. যাত্ৰাপুস্তক ৫:৭, ৮ ।

মে াচিৰি দনিৰ লখেয়িাকৈ, ঈশ্বৰে তওেৰ নজিৰ লে াকবলিাকৰ নমিতি্তে মহান কাৰ্য্যবে াৰ কৰবিলৈ গৈ আছে । অতি সে ানকালে তওেবলাকক তওেবলিাকৰ পাপৰ দাসত্বৰ কবলৰ পৰা মুক্ত কৰা হব আৰু স্বৰ্গীয় কনানলৈ যাত্ৰা কৰবি । আৰু আকে ৌ এবাৰ, ঈশ্বৰে এতয়িা তওেৰ লে াকসকলৰ মনবে াৰক বশি্ৰাম-দনিৰ জৰিনৰি গুৰুত্বপূৰ্ণ কথাটে ালৈ ঘুৰাই আনবিলৈ যত্ন কৰি আছে ।



পাঠ নং-৮

# অধ্যয়ন

প্ৰতিটো বাইবেল পদ পঢ়ি তলত দিয়া খালী ঠাইবোৰ পুৰন কৰক।

## ১. বিশ্ৰাম-দিনৰ জিৰনিক, ঈশ্বৰে কেৱল ইস্ৰায়েল বিলাকৰ নিমিত্তেহে বনাইছিল নেকি?

**মাৰ্ক ২:২৭** তেও তেওলোকক আৰু কলে, [redacted] [redacted] নিমিত্তেই হল; কিন্তু মানুহ বিশ্ৰাম-বাৰৰ নিমিত্তে নহল;”

**টোকা:** বিশ্ৰাম-বাৰ মানুহৰ নিমিত্তে সৃষ্টি কৰা হৈছিল বুলি যেতিয়া যীচুৱে কৈছে, মানুহ শব্দটোৰ অৰ্থ হৈছে সমগ্ৰ মানৱ জাতি-প্ৰতিটোখন ঠাইৰ, সকলোবোৰ সময়ৰ বাবে, সকলো-লোকৰ নিমিত্তে ।

## ২. ঈশ্বৰে কেতিয়া বিশ্ৰাম-বাৰ (চাবাথ) স্হাপন কৰিছিল?

**আদিপুস্তক ২:১, ৩** “এইদৰে আকাশ-মন্ডল, পৃথিবী, আৰু সেই উভয়ত থকা সকলো পদাৰ্থ নিৰ্মান কৰি [redacted] হল ... আৰু ঈশ্বৰে সেই সপ্তম দিনক আৰ্শীবাদ কৰি পবিত্ৰ কৰিলে; কিয়নো ঈশ্বৰে নিজে সৃষ্টি কৰা আৰু নিৰ্মান কৰা সমুদায় কাৰ্য্যৰ পৰা সেই দিনা বিশ্ৰাম কৰিলে” ।

**টোকা:** সৃষ্টি সপ্তাহৰ শেষৰ দিনটোত বিশ্ৰাম-দিন স্হাপন কৰা হৈছিল ।

## ৩. সপ্তাহৰ কোনটো দিন বিশ্ৰাম-দিন?

**আদিপুস্তক ২:২, ৩** [redacted] [redacted] ঈশ্বৰে নিজে কৰা কাৰ্য্য কৰি অতাই, নিজে কৰা সকলো কাৰ্য্যৰ পৰা [redacted] [redacted] বিশ্ৰাম কৰিলে । আৰু ঈশ্বৰে সেই [redacted] [redacted] আৰ্শীবাদ কৰি পবিত্ৰ কৰিলে

**টোকা:** আদিপুস্তক ২ অধ্যায়ত, ঈশ্বৰে আমাক কৈছে যে তেও সপ্তাহৰ সপ্তম দিনত বিশ্ৰাম-দিন সৃষ্টি কৰিছিল । তেও ইয়াক “পবিত্ৰ” কৰা বলিও কৈছে, যাৰ অৰ্থ হৈছে “এক পবিত্ৰ ব্যৱহাৰৰ নিমিত্তে আছুতীয়াকৈ ৰখা” । ঈশ্বৰে বিশ্ৰাম-দিনক ২৪ ঘন্টীয়া সময় হিচাপে সৃষ্টি কৰিছিল, কাৰন সময়ে হৈছে এনেকুৱা বিষয় যি যীচুৰ সৈতে এটা প্ৰকৃত প্ৰেমৰ বন্ধন গঢ়িবলৈ সুযোগ দিয়ে । মিচৰৰ ফৌৰনৰ নিচিনা চয়তান সকলে, আমালোকক কামত এনেকৈ ব্যস্ত কৰি ৰাখিব বিচাৰে, আমি যেন ঈশ্বৰৰ কথা ভাবিব নোৱাৰো । অন্তিম দিনৰ লোকবিলাকে নিজ নিজ কামত কেনেকৈ ইমান ব্যস্ত থকিব তাক জানি ঈশ্বৰে তেওৰ লোকসকলৰ লগত সময় কতাবলৈ, অন্তৰঙ্গতা ৰাখিবলৈ প্ৰতি সপ্তাহে ২৪ ঘন্টীয়া সময় আছুতীয়াকৈ ৰাখিছে । তেও আপোনাৰ সৈতে সাক্ষাত কৰিবলৈ সেই সপ্তাহিক দিনটো সৃষ্টি কৰিলে । সেইটো দিনত, তেওক লগ নকৰাকৈ নেথাকিব!

## ৪. ঈশ্বৰে, তেওঁৰ পবিত্ৰ বিশ্ৰাম-দিনৰ গুৰুত্বপূৰ্ণতাক কেনেকৈ প্ৰদৰ্শন কৰিছিল?

**যাত্ৰাপুস্তক ২০:৮-১১** বিশ্ৰাম-দিন সোঁৱৰন কৰি পবিত্ৰ [redacted] ... এই হেতুকে যিহোৱাই বিশ্ৰাম-দিনক [redacted] কৰি পবিত্ৰ কৰিলে ।

**টোকা:** যাত্ৰাপুস্তক ২০:৮-১১ হৈছে ঈশ্বৰৰ বিধানৰ চতুৰ্থ আজ্ঞা । বিশ্ৰাম-দিনটোক তেওঁৰ দহ-আজ্ঞাৰ এটা কৰাৰ দ্বাৰাই, তেওঁ ইয়াৰ অত্যাধিক গুৰুত্বপূৰ্ণতাক প্ৰদৰ্শন কৰিছে । ১০ পদে ইয়াক এইবুলি কৈছে, “তোমাৰ ঈশ্বৰ যিহোৱাৰ উদ্দেশ্যে বিশ্ৰামদিন” । মাত্ৰ চতুৰ্থ আজ্ঞাটোকহে “সোঁৱৰন কৰিবা” শব্দটোৰে আৰম্ভ কৰা হৈছে, যিটোৱে দেখুৱাই, লোকবিলাকে যে ইয়াক পাহৰিব তাক ঈশ্বৰে জানিছিল । ঈশ্বৰৰ দহ-আজ্ঞাৰ বিধানক উলঙ্ঘন কৰাটো হৈছে পাপ (১ম যোহন ৩:৪) । কিন্তু যীচুৱে তেওঁৰ লোকবিলাকক সিহঁতৰ পাপৰ পৰা বা বিধান উলঙ্ঘনৰ পৰা ৰক্ষা কৰিবলৈ হত হল (মথি ১:২১) ।

## ৫. বিশ্ৰাম-দিন এটা চিন বুলি ঈশ্বৰে কি দুটা মুল্যৱান কথা কৈছে?

**যাত্ৰাপুস্তক ৩১:১৭** মোৰ আৰু ইস্ৰায়েলৰ সন্তানবিলাকৰ মাজত এয়ে (বিশ্ৰাম-দিন) চিৰস্হায়ী চিন হব; কিয়নো [redacted] ছদিনে আকাশ-মন্ডল আৰু পৃথিবী [redacted] কৰি সপ্তম দিনা বিশ্ৰাম কৰি তৃপ্ত হৈছিল ।

**যিহিস্কেল ২০:১২** ইয়াৰ বাহিৰে মই যে তেওঁবিলাকক [redacted] কৰোঁতা যিহোৱা, তাক তেওঁবলাকে জানিবৰ নিমিত্তে মোৰ আৰু তেওঁবলাকৰ মাজত এটি চিন হবলৈ মোৰ বিশ্ৰাম-দিনবোৰ তেওঁবিলাকক দিলোঁ ।

**টোকা:** ঈশ্বৰে কৈছে বিশ্ৰাম-দিন হৈছে সৃষ্টিকৰ্ত্তা আৰু উদ্ধাৰকৰ্ত্তা হিচাপে তেওঁৰ ক্ষমতাৰ এটা চিন বা ছাব । প্ৰকাশিতবাক্য ১৪:৬-১৪ পদবোৰত ঈশ্বৰে তিনিটা গুৰুত্বপূৰ্ণ বানী প্ৰদান কৰিছে যিবোৰক, পৃথিবী নিবাসী আৰু প্ৰতিখন দেশ আৰু জাতি বৰ্ণ, ভাষাৰ লোকবিলাকৰ আগত ঘোষণা কৰিব লাগিব ৬ পদ । প্ৰথম বানীটোক ৭ পদত পোৱা যায় । “ঈশ্বৰক ভয় কৰি, তেওঁৰ গৌৰৱ স্বীকাৰ কৰাহক; কিয়নো তেওঁৰ সোধবিচাৰৰ সময় আহিল; আৰু স্বৰ্গ, পৃথিবী,সাগৰ,জলৰ ভুমুকবোৰ, এই সকলোৰে সৃষ্টিকৰ্ত্তাক প্ৰণিপাত কৰাহক” । প্ৰকৃত সেৱা-উপসনালৈ উভটাই অনাৰ এই আহ্বানটো চতুৰ্থ আজ্ঞাৰ পৰা আহিছে: “কিয়নো যিহোৱাই আকাশ-মন্ডল, পৃথিবী,সমুদ্ৰ আৰু সেইবোৰত থকা সকলোকে ছদিনে নিৰ্ম্মান কৰি, সপ্তম দিনা বিশ্ৰাম কৰিলে” যাত্ৰাপুস্তক ২০:১১ ।

## ৬. যীচুৱে কোনটো দিনক পবিত্ৰ কৰি পালন কৰিছিল?

**লূক ৪:১৬** পাছে তেওঁ যত প্ৰতিপালিত হৈছিল, সেই নাচৰতলৈ আহি, বিশ্ৰাম-বাৰে [redacted] [redacted] দৰে নাম ঘৰত সোমাই, পাঠ কৰিবলৈ থিয় হল ।

**টোকা:** যাক তেও তেওৰ ব্যৱহাৰৰ দৰে পালন কৰিছিল সেই বিশ্ৰাম-দিন পালন কৰাকে ধৰি আন সকলোবোৰ বিষয়তেই যীচু খ্ৰীষ্ট হৈছে আমাৰ উদাহৰন (১ম পিতৰ ২:২১)। "ব্যৱহাৰৰ দৰে"ৰ অৰ্থ হৈছে "দৈনিক অভ্যাসৰ" দৰে । তেও যেনেকৈ চলিছিল খ্ৰীষ্টিয়ান সকলেও ঠিক তেনেকৈ চলা উচিত (১ম যোহন ২:৬)।

## ৭. বিশ্ৰাম-দিন পালনৰ ক্ষেত্ৰত পৌলৰনো কেনেকুৱা ব্যৱহাৰ আছিল?

**পাচনিকৰ্ম ১৭:২** পৌলে তেওৰ [redacted] দৰে, তেওবিলাকৰ ওচৰলৈ গৈ, তিনিটা বিশ্ৰাম-বাৰে তেওলোকক শাস্ত্ৰৰ পৰা যুক্তি দেখুৱাই ভাঙি বুজাই দিলে

**পাচনিকৰ্ম ১৮:৪** আৰু তেও [redacted] নামঘৰত বাদ-বিচাৰ কৰি, যিহুদী আৰু গ্ৰীকবিলাকক বিশ্বাস কৰিবলৈ প্ৰবৃত্তি দিলে ।

**টোকা:** সপ্তম দিলীয়া বিশ্ৰাম-বাৰ পালন কৰাটো পৌলৰো ব্যৱহাৰ অৰ্থাত অভ্যাস আছিল ।

## ৮. পাচনিবিলাকেও বিশ্ৰাম-বাৰৰ দিনত পৰজাতি সকলক লগ ধৰিছিল নে?

**পাচনিকৰ্ম ১৩:৪২** পাছে এই কথা, অহা [redacted] যেন প্ৰচাৰ কৰা হয়, তেওবিলাক ওলাই যাবলৈ ধৰোতে, [redacted] ইয়াকে নিবেদন কৰিলে । কেজিভি

**টোকা:** আন এটা বিশেষ সময়ত, শিষ্যবিলাকে বিশ্ৰাম-দিনত পৰজাতিৰ মহিলাৰ এটা দলৰ সৈতে নদীৰ পাৰত গোট খাইছিল, কাৰন সেই নগৰত কোনো নামঘৰ নাছিল (পাচনিকৰ্ম ১৬:১৩)।

## ৯. যীচুৱে, তেওৰ লোকসকলক, তেও সিহতৰ পাপৰ বাবে হত হোৱাৰ পিছত বিশ্ৰাম-দিন পালন কৰাটোক বাঞ্চা কৰিছিল নে?

**মথি ২৪:২০** তোমালোকৰ পলোৱা যেন জাৰকালি বা [redacted] নহয়, তাৰ নিমিত্তে প্ৰাৰ্থনা কৰা ।

**টোকা:** যীচুৱে ইয়াত যিৰুচালেমৰ পতনৰ বিষয়ে ভৱিষ্যবানী কৰিছিল, যিটো ৭০ খ্ৰীষ্টাব্দত (প্ৰায় ৪০ বছৰৰ পিছত) ঘটিব বুলি তেও জানিছিল । কিন্তু তেও পৰামৰ্শ দিছিল যে আক্ৰমনকাৰী সকলৰ পৰা পলোৱা দিনটো যেন বিশ্ৰাম-বাৰত নপৰে তাৰ বাবে সিহতে প্ৰাৰ্থনা কৰে । এইটো অতি স্পষ্ট যে যীচুৱে তেওৰ মৃত্যুৰ পাছতো তেওৰ লোক সকলে বিশ্ৰাম বাৰ পালন কৰাটোক আকাংক্ষ্যা কৰিছিল ।

## ১০. ঈশ্বৰৰ অন্তিম-সময়ৰ লোক সকলেও তেওৰ সপ্তম-দিনীয়া বিশ্ৰাম-বাৰটোক পালন কৰিব বুলি বাইবেলে শিকাইছে জানো?

**প্ৰকাশিতবাক্য ১২:১৭** তাতে সেই নাগে(চয়তান) সেই তিৰোতালৈ (মন্ডলি) খং উঠি, তেওৰ বংশৰ (সন্তান) অৱশিষ্ট লোক, অৰ্থাত ঈশ্বৰৰ [redacted] কৰা, আৰু যীচুৰ সাক্ষ্য ধাৰন কৰাবিলাকে সৈতে যুদ্ধ কৰিবলৈ গল

**প্ৰকাশিতবাক্য ১৪:১২** ইয়াতে ঈশ্বৰৰ [redacted] আৰু যীচুৰ বিশ্বাস [redacted] কৰা পবিত্ৰবিলাকৰ ধৈৰ্য্য দেখা যায় ।

**প্ৰকাশিতবাক্য ২২:১৪** যিবিলাকে জীৱন-বৃক্ষৰ অধিকাৰী হবৰ আৰু দুৱাৰেদি নগৰত সোমাবৰ কাৰনে তেওৰ আজ্ঞাবোৰ [redacted] কৰে, তেওবিলাক ধন্য (কেজিভি)।

টোকা: ওপৰত দিয়া শাস্ত্ৰবাক্যবোৰে স্পষ্টকৈ ঈশ্বৰৰ অন্তিম দিনৰ মন্ডলিটোকে বুজাইছে, আৰু প্ৰতিটো পৃষ্ঠাই অতি সৰলকৈ ইয়াকে কৈছে, বোলে ঈশ্বৰৰ অন্তিম সময়ৰ মন্ডলিটোৱে তেওৰ আজ্ঞাবোৰ পালন কৰিব-যত অৱশ্যেই চতুৰ্থ আজ্ঞা বিশ্ৰাম-বাৰ পালন কৰাৰ আজ্ঞাটোও অন্তৰ্ভূক্ত হৈ আছে ।

## ১১. স্বৰ্গত সকলো ত্ৰাণপ্ৰাপ্তই বিশ্ৰাম-দিন পালন কৰিব নে?

**যিচয়া ৬৬:২২, ২৩** "কাৰন মই যি নতুন আকাশ-মন্ডল আৰু নতুন পৃথিৱী সৃষ্টি কৰিম, সেয়ে যেনেকৈ মোৰ সন্মুখত সদায় থাকিব,তেনেকৈ তোমালোকৰ বংশ, আৰু তোমালোকৰ নামো সদায় থাকিব, ইয়াক যিহোৱাই কৈছে। আৰু যিহোৱাই কৈছে,প্ৰত্যেক ন-জোনত, আৰু প্ৰত্যেক বিশ্ৰাম-বাৰত [redacted] মোৰ আগত প্ৰণিপাত কৰিবলৈ আহিব" ।

টোকা: বাইবেলে কৈছে যে সৰ্ব্বযুগৰ ত্ৰাণপ্ৰাপ্ত লোকবিলাকে একেলগে স্বৰ্গ আৰু নতুন পৃথিবীত ঈশ্বৰৰ বিশ্ৰাম-দিন পালন কৰিব ।

## ১২. আমি নিশ্চিত হব পাৰো নে যে বৰ্ত্তমান সময়ৰ সপ্তাহৰ যি সপ্তম দিন (শনিবাৰ) সেই একেটা বিশ্ৰাম-বাৰকে যীচুয়েও পবিত্ৰভাৱে পালন কৰিছিল?

**লূক ২৩:৫৪-২৪:১** সেই দিন আয়োজন-দিন (শুকুৰ বাৰ), আৰু বিশ্ৰাম-বাৰৰো আৰম্ভ ওচৰ চাপিল । ... উলটি আহি, সুগন্ধি দ্ৰব্য আৰু তেল যুগুত কৰিলে ... পাছে তেওবিলাকে বিধানৰ দৰে [redacted] । কিন্তু সপ্তাহৰ [redacted] অতি দোকমোকতে, সেই যুগুত কৰা সুগন্ধি দ্ৰব্য লৈ মৈদামৰ ওচৰলৈ আহিল ।

টোকা: বিশ্ৰাম-বাৰৰ আগদিনা শুকুৰ বাৰে (আয়োজন দিন)যীচু খ্ৰীষ্টক ক্ৰুচত দিয়া হৈছিল (মাৰ্ক ১৫:৪২)। বিধানৰ দৰে বিশ্ৰাম বাৰে যীচুৱে মৈদামত জিৰনি লৈছিল (লূক ২৩:৫৬), তাৰ পাছত প্ৰথম দিনা অৰ্থাত বিশ্ৰাম-বাৰৰ ঠিক পিছৰ দিনা পুনৰুত্থিত হৈছিল (মাৰ্ক ১৬:১-৬)। পৃথিবীৰ সৰ্বত্ৰে থকা খ্ৰীষ্টিয়ানবিলাকে আজিও সেই দিনটোক ইষ্টাৰ ছানডে হিচাপে পালন কৰে । বাইবেলে অতি স্পষ্টকৈ দেখুওৱাই যে বিশ্ৰাম বাৰটো হৈছে শুকুৰ বাৰৰ পিছৰ আৰু ৰবিবাৰৰ আগৰ দিনটো । সপ্তাহৰ এই দিনটোক কেলেন্ডাৰৰ পাতত অতি সহজেই উলিয়াব পাৰি । ("অভিধানে কি কয়" আৰু "কেলেন্ডাৰ সলনি কৰা হোৱা নাছিল জানো" এই নামৰ বিষয়টো সংযোনত চাওক)।

## ১৩. ঈশ্বৰে তেওঁৰ পবিত্ৰ দিনটোক সলনি কৰিবলৈ কাৰোবাক অনুমতি দিছে জানো?

**হিতোপদেশ ৩০:৫, ৬** ঈশ্বৰৰ প্ৰত্যেক বচন শুদ্ধ ... তেওঁৰ বাক্যৰ লগত [redacted] [redacted], লগালে তেওঁ তোমাক দোষীব, তাতে তুমি মিছলীয়া হবা ।

**টোকা:** ঈশ্বৰে দহ-আজ্ঞাবোৰ প্ৰদান কৰাৰ ঠিক আগতে দ্বিতীয় বিবৰন ৫ অধ্যায়ত ব্যাখ্যা কৰাৰ দৰে তেওঁ অতি গম্ভীৰকৈ সতৰ্ক কৰিছিল যাতে কোনেও সেইবোৰৰ লগত একো যোগ নকৰে বা সেইবোৰৰ পৰা একো বিয়োগ নকৰে বা বাদ নিদিয়ে (দ্বিতীয় বিবৰন ৪:২)। বৰং সেইবোৰক যাতে যেনেকৈ দিয়া হৈছিল তাৰ ইফাল সিফাল নকৰাকৈ সেনেকৈয়ে যেন পালন কৰা হয় । ঈশ্বৰে তেওঁৰ বিশ্ৰাম বাৰক আৰ্শীবাদ কৰিছিল (যাত্ৰাপুস্তক ২০:১১), আৰু তেওঁ যেতিয়া কাৰোবাৰ ওপৰত আৰ্শীবাদ কৰে, ই সদাকালৰ বাবেই আৰ্শীবাদযুক্ত হৈ থাকে (১ম বংশাৱলী ১৭:২৭)।ঈশ্বৰে কৈছে, মই মোৰ নিয়মটি লঙ্ঘন নকৰিম, আৰু মোৰ ওঠৰ পৰা ওলোৱা বাক্যৰ অন্যথা নকৰিম। গীতমালা ৮৯:৩৪ । ভুলপথে পৰিচালিত হোৱা মানুহবিলাকে মানি লয় যে তেওঁবিলাকে ঈশ্বৰৰ পবিত্ৰ দিনটোক সলনি কৰি ৰবিবাৰলৈ পৰিবৰ্ত্তন কৰিলে । কিন্তু ঈশ্বৰে মানুহৰ উপদেশবোৰক গ্ৰহন নকৰিব, যেতিয়া তেওঁ আমাৰ মাৰ্গ-দৰ্শক হিচাপে বাইবেল পুথিখন প্ৰদান কৰিছে ।

## ১৪. বিশ্ৰাম-বাৰ কেতিয়া আৰম্ভ হয় আৰু কেতিয়া অন্ত পৰে?

**লেবীয়া পুস্তক ২৩:৩২** এক [redacted] পৰা আন [redacted] তোমালোকে তোমালোকৰ সেই বিশ্ৰামদিন পালন কৰিবা ।

**মাৰ্ক ১:৩২** পাছে [redacted] [redacted] গৈ সন্ধ্যা হলত

**টোকা:** বিশ্ৰাম বাৰৰ সময় আৰম্ভ হয় শুকুৰবাৰে সূৰ্য্যাস্তত আৰু শেষ হয় শনিবাৰে সূৰ্য্যাস্তত ।

## ১৫. প্ৰকাশিতবাক্যৰ প্ৰভুৰ দিনটো নো কোনটো দিন?

**যাত্ৰাপুস্তক ২০:১০** কিন্তু সপ্তম দিন তোমাৰ [redacted] [redacted] উদ্দেশ্যে বিশ্ৰাম দিন.

**যিচয়া ৫৮:১৩** যদি তুমি [redacted] [redacted] [redacted] তোমাৰ কাৰ্য্য নকৰি, বিশ্ৰাম দিনৰ পৰা তোমাৰ ভৰি আতৰোৱা

**মাৰ্ক ২:২৮** এই হেতুকে মানুহৰ পুত্ৰ [redacted] প্ৰভু (অধিপতি)।

**টোকা:** পুৰনা নিয়ম আৰু নতুন নিয়ম বাইবেলৰ উভয়তে, ঈশ্বৰে বিশ্ৰাম-বাৰক প্ৰভুৰ দিন বুলি কৈছে । তেও ইয়াকো আদেশ কৰিছে, ঈশ্বৰৰ বিশ্ৰাম দিনটোক ভৰিৰে গছকি উলঙ্ঘন কৰি যাতে পাপ নকৰে তাৰ বাবে যেন মানুহবিলাকক সাৱধান কৰা হয় (যিচয়া ৫৮:১, ১৩) । ঈশ্বৰে ঘোষণা কৰিছে যে সকলো মানৱৰ নিমিত্তেই তেওৰ পবিত্ৰ বিশ্ৰাম বাৰ (যিচয়া ৫৬:২-৭)। বাইবেলে ৰবিবাৰ দিনটোক কেতিয়াও প্ৰভুৰ দিন বুলি কোৱা নাই । ই সপ্তাহৰ কাম কৰা ছদিনীয়া দিনৰ এটা সাধাৰন দিনহে মাত্ৰ (যিহিস্কেল ৪৬:১)। এইটোৱে ইয়াৰ প্ৰকৃত পৰিচয় ।

## ১৬. বিশ্ৰাম বাৰ পালন কৰিবলৈ কোৱা আজ্ঞাটোৰ দ্বাৰাই কি আৰ্শীবাদৰ প্ৰতিজ্ঞা কৰা হৈছে?

**মথি ১১:২৮** হে পৰিশ্ৰান্ত আৰু ভাৰাক্ৰান্ত লোকসকল, মোৰ ওচৰলৈ আহা মই তোমালোকক [redacted] দিম

**যাত্ৰাপুস্তক ৩৩:১৪** মই স্বয়ং তোমাৰ [redacted] যাম, আৰু মই তোমাক বিশ্ৰাম দিম ।

**ইব্ৰী ৪:৫** যদি তেওবিলাকে [redacted] [redacted] সোমাবলৈ পায় (কেজিভি)।

**টোকা:** দহ-আজ্ঞাৰ প্ৰতিটো আজ্ঞাৰে এটা এটা আত্মিক অৰ্থ আছে । কিছুমান বিধিবদ্ধ খ্ৰীষ্টিয়ানে বিধানৰ আখৰবোৰৰ ওপৰতহে মনোযোগ ৰাখে, আৰু বিধানৰ আত্মাক আওকান কৰে । এই দুয়োটোৰে ক্ষেত্ৰত আমি সমতুল্যতা বজাই ৰখাটোক যীচুৱে বিচাৰে(মথি ৫:২১, ২২, ২৭, ২৮)।বাইবেলে প্ৰায়েই “জিৰণি” শব্দটোক “পৰিত্ৰাণ” লাভ কৰা বুজাবলৈ ব্যৱহাৰ কৰিছে । ইব্ৰী ৪:১, ৪, ৯, ১০ পদবোৰে কৈছে যে, যি সকল লোকক, প্ৰকৃকততে ধৰ্ম্মান্তৰৰ জিৰণিলৈ চলাই লৈ যোৱা হৈছে আৰু যি সকল লোক খ্ৰীষ্টত একাকাৰ হৈ মিলিত হৈ গৈছে, তেওবিলাকে সপ্তম দিনীয়া বিশ্ৰাম-বাৰক খ্ৰীষ্টিয়ানৰ জিৰণিৰ এটা প্ৰতীক হিচাপে পালন কৰিব ।

# আপোনাৰ সহাৰি

যিহেতু যীচুৱে, সৃষ্টি আৰু পবিত্ৰ কৰিব পৰা তেওৰ ক্ষমতাৰ এটা চিন হিচাপে বিশ্ৰাম বাৰ প্ৰদান কৰিছে, গতিকে তেওৰ প্ৰতি শ্ৰদ্ধা ভক্তি জনোৱাৰ অৰ্থে ইয়াক পালন কৰাৰ দ্বাৰাই এই পবিত্ৰ দিনটোৰ আৰ্শীবাদ লবলৈ আৰম্ভ কৰিবলৈ আপুনি ভাল পাবনে?

**উত্তৰ:** [redacted]

# সংযোজন

এই খন্দটোৱে অতিৰিক্ত অধ্যয়নৰ বাবে অধিক তথ্যৰ যোগান ধৰিব ।

## অভিধানে কি কৈছে?

তলত দিয়াবোৰক প্ৰায়বোৰ অভিধানতে চাওক, আৰু আপুনি যি বিচাৰি পায় সেইবোৰ মনদি চাওক

শনিবাৰ (বিশেষ্য), সপ্তাহৰ সপ্তম আৰু অন্তিম দিন ।
সপ্তম দিনৰ (বিশেষণ) সপ্তম দিন (শনিবাৰ)
ৰবিবাৰ (বিশেষ্য) সপ্তাহৰ প্ৰথম দিন
প্ৰথম দিন (বিশেষ্য) ৰবিবাৰ ।

## কেলেন্ডাৰ সলনি কৰা হোৱা নাছিল জানো?

১৫৮২ চনৰ অক্টোবৰত কেলেন্ডাৰখনক এবাৰ সলনি কৰা হৈছিল, কিন্তু সপ্তাহিক চক্ৰটোক সাল-সলনি কৰা হোৱা নাছিল । অক্টোবৰ ৪ ৰ পৰা আৰম্ভ কৰি কেলেন্ডাৰৰ পৰা ১০টা তাৰিখ বাদ দিয়া হৈছিল । ইয়াৰ ফলত শুকুৰবাৰ, ৫ অক্টোবৰ হৈছিল, শুকুৰবাৰ অক্টোবৰ ১৫ । তলত দিয়া চিত্ৰখনে সলনিকৰনটোক বুজাত আপোনাক সহায় কৰিব । আপুনি দেখিব যে ই সপ্তাহৰ দিনবোৰৰ ক্ৰমটোক সলনি কৰা নাছিল ।

### অক্টোবৰ ১৫৮২

| ৰবি | সোম | মঙ্গল | বুধ | বৃহস্পতি | শুক্ৰ | শনি |
|---|---|---|---|---|---|---|
| | ১ | ২ | ৩ | ৪ | ১৫ | ১৬ |
| ১৭ | ১৮ | ১৯ | ২০ | ২১ | ২২ | ২৩ |
| ২৪ | ২৫ | ২৬ | ২৭ | ২৮ | ২৯ | ৩০ |
| ৩১ | | | | | | |


©2023 Amazing Facts India
All Rights Reserved Printed in India
**+91 916 916 4480 | AFTV.in**
For more uplifting, life changing resources visit **Bookstore.AFTV.in**
ভাৱবাণীৰ এক সম্পূৰ্ণ দৃশ্য
ASSAMESE